# ভাৰতত ইংৰাজ শাসন প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ

## TEXTUAL QUESTIONS AND ANSWERS

**প্ৰশ্ন ১: এটা শব্দ বা বাক্যত উত্তৰ লিখাঃ**

( ক ) প্ৰথম কৰ্ণাটক যুদ্ধৰ সময়ত ফৰাচী গৱৰ্ণৰ কোন আছিল ?

**উত্তৰঃ** ডুপ্লে ।

( খ ) পলাশী যুদ্ধৰ সময়ত থকা বঙ্গদেশৰ নবাব জনৰ নাম লিখা ।

**উত্তৰঃ** চিৰাজউদ্দৌলা ।

( গ ) কোন চনত ৰেগুলেটিং এক্ট প্ৰণয়ন কৰা হৈছিল ?

**উত্তৰঃ** ১৭৭৩ চনত ।

( ঘ ) বশ্যতামূলক মিত্ৰতা নীতি কোনে প্ৰৱৰ্তন কৰিছিল ।

**উত্তৰঃ** ওৱেলচলিয়ে ।

( ঙ ) স্বত্ববিলোপ নীতি প্ৰয়োগ কৰি ভাৰতত বৃটিছ সাম্ৰাজ্য সম্প্ৰসাৰণ ঘটোৱা ইংৰাজ গৱৰ্ণৰ জেনেৰেল জনৰ নাম লিখা ।

**উত্তৰঃ** লৰ্ড ডেলহাউচী ।

**প্ৰশ্ন ২: খালী ঠাই পূৰ কৰা –**

( ক ) কৰ্ণাটকৰ যুদ্ধ ইংৰাজ আৰু __ মাজত সংঘটিত হৈছিল ।

**উত্তৰঃ** ফৰাচী সকলৰ ।

( খ ) ___ ১৭৪২ চনত ইংৰাজ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ গৱৰ্ণৰ হৈ মাদ্ৰাজলৈ আহিছিল ।

**উত্তৰঃ** ৰবাৰ্ট ক্লাইব ।

( গ ) ৰেগুলেটিংএক্টৰ দ্বাৰা গৱৰ্ণৰ পদটো ___ লৈ উন্নীত কৰা হৈছিল।

**উত্তৰঃ** গৱৰ্ণৰ জেনেৰেল ।

( ঘ ) ৰেগুলেটিং এক্ট অনুসৰি কলিকতাত স্থাপন কৰা উচ্চতম ন্যায়লয়ৰ প্ৰথম ন্যায়াধীশ আছিল __ ।

**উত্তৰঃ** চাৰ এলিজা ইম্প ।

( ঙ ) ভাৰতৰ ভিতৰুৱা ব্যৱস্থাত হস্তক্ষেপন কৰিবলৈ গৱৰ্ণৰ জেনেৰেল___ নিৰপেক্ষ নীতি গ্ৰহণ কৰিছিল ।

**উত্তৰঃ** চাৰ জন ছাােৰে ।

**প্ৰশ্ন ৩: চমুটোকা লিখাঃ**

**( ক ) পলাশীৰ যুদ্ধ ।**

**উত্তৰঃ** ১৭৫৭ খ্ৰীঃত বঙ্গৰ নৱাব চিৰাজউদ্দোলা আৰু ইংৰাজ বাহিনীৰ মাজত পলাশী নামে ঠাইত যি যুদ্ধ সংঘটিত হৈছিল সেই যুদ্ধ খনকেই পলাশীৰ যুদ্ধ নামে জনা যায় ।

আমি এই কথা জানাে যে ইংৰাজ সকলৰ ভাৰতত প্ৰধান শত্ৰু আছিল ফৰাছী সকল । ১৭৫৭ চনত ইংৰাজ সকলে ফৰাছী ঘাটি চন্দন নগৰ অধিকাৰ কৰাত বঙ্গৰ নবাব চিৰাজউদ্দৌলাই ইংৰাজ বিলাকক চন্দন নগৰ ফৰাছী সকলক ঘূৰাই দিবলৈ ক'লে । ইংৰাজসকল অমান্তি হ'ল আৰু তেওঁলাােকে নবাবক এসেকা দিয়াৰ ষড়যন্ত্ৰ কৰি চিৰাজউদ্দৌলাৰ সেনাপতি মিৰজাফৰক বঙ্গৰ নবাব পতাৰ প্ৰতিশ্ৰুতি দি হাত কৰিলে । ইয়াৰ পিচত ক্লাইবে চিৰাজউদ্দৌলাৰ বিৰুদ্ধে আলিনগৰ চুক্তি ভংগৰ মিছা অভিযাােগ আনিলে ।

চিৰাজে ক্লাইবৰ অভিসন্ধিৰ কথা গম পাই সৈন্য – সামন্ত লৈ আগবাঢ়ি গ'ল । ১৭৫৭ চনৰ ২৩ জুন তাৰিখে পলাচী নামে ঠাইত যুদ্ধ হ'ল । এই যুদ্ধত নবাবৰ সেনাপতি আছিল মাােহন লাল আৰু মীমদন । মুখ্য সেনাপতি মিৰজাফৰে কৌশলেৰে যুদ্ধৰ পৰা আঁতৰি আছিল । নবাব বাহিনীয়ে বৰ পৰাক্ৰমেৰে যুঁজিছিল যদিও শেষত পৰাস্ত হ'ল । পলাচীৰ

যুদ্ধৰ পিচৰে পৰা ইংৰাজে বঙ্গদেশত খা েপনি পুতিলে আৰু লাহে লাহে নিজৰ অধীন কৰি ললে।

**( খ ) মিৰজাফৰ ।**

**উত্তৰঃ** বংগৰ নৱাব চিৰাজউদ্দৌলাৰ প্ৰধান সেনাপতি আছিল মিৰজাফৰ । সুবিধাবাদী মিৰজাফৰে ইংৰাজৰ প্ৰলা েভনত ভা েল গৈ ১৭৫৭ খ্ৰীষ্টাব্দৰ পলাশীৰ যুদ্ধত নবাবৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈ নৱাবক পৰাস্ত কৰা েৱায় আৰু ইংৰাজৰ অনুগ্ৰহত বঙ্গ নবাব হয় । দুৰ্ভাগ্যৰ বিষয় তেওঁ ইংৰাজৰ হাতৰ পুতলা হ’ব লগা হয় । মিৰজাফৰ অসন্তুষ্ট হ’ল । তেওঁ ইংৰাজৰ বিৰুদ্ধে সমৰ সজ্জাৰ যা ে – জা কৰি ভাৰতত থকা ওলন্দাজ সকলক লগ কৰিলে । ৰবাৰ্ট ক্লাইবে সকলা ে কথা গম পাই দেশলৈ উভতি গ’ল । তেওঁৰ পিছত অহা গৱৰ্ণৰ ভান্সটাৰ্টে মিৰজাফৰক সিংহাসনৰ পৰা নমাই তেওঁৰ জোঁৱায়েক মিৰকাছিমক বঙ্গৰ নবাব পাতে ।

**( গ ) মিৰকাছিম ।**

**উত্তৰঃ** মিৰজাফৰৰ জোঁৱায়েক মিৰকাছিমক ইংৰাজ গবৰ্ণৰে শহুৰেকক পদচ্যুৎ কৰি সিংহাসনত বই বঙ্গৰ নবাব পাতিছিল । নৱাবী পদ গ্ৰহণ কৰিয়ে মিৰকাছিমে বৰ্ধমান , মেদিনীপুৰ আৰু চট্টগ্ৰাম নামৰ তিনিখন জিলা কোম্পানীক দিব লগাত পৰে । মিৰকাছিম স্বাধীন চেতীয়া স্বভাৱৰ লা েক আছিল । কোম্পানীৰ অনুগ্ৰহত নবাব পদ পালেও তেওঁ কিন্তু কোম্পানীৰ বহতীয়া হৈ থাকিবলৈ টান পাইছিল । তেওঁ ইংৰাজৰ পৰা মুক্ত হা েৱাৰ চিন্তাৰে নিজ প্ৰতিৰক্ষা সুদৃঢ় কৰণৰ বাবে দৃঢ় প্ৰতিজ্ঞ হ’ল । সৈন্যবাহিনীৰ সামৰিক ক্ষমতা বৃদ্ধিৰ বাবে তেওঁ ইউৰা েপীয় প্ৰণালীৰে নিজ সৈন্য সকলক শিক্ষিত তথা সজ্জিত কৰি তুলিলে । ইয়াৰ উপৰিও ইংৰাজসকলৰ প্ৰভাৱৰ পৰা নিজকে মুক্ত কৰিবৰ বাবে তেওঁ মুৰ্ছিদাবাদৰ পৰা নিজ ৰাজধানী মুংগেৰলৈ তুলি নিলে ।

মীৰকাছিমৰ এনেবা েৰ কাৰ্যত ইংৰাজসকলে অস্বস্তি বা েধ কৰিলে ।

মীৰকাছিমৰ নীতিত অতি অসন্তুষ্ট হৈ পাটনাৰ বাণিজ্য কুঠিৰ এজেন্ট এলিচ ( Ellis ) এ পাটনা দখল কৰাত মীৰকাছিমে ইংৰাজৰ বিপক্ষে অস্ত্ৰধাৰণ কৰিলে । নবাবে অতি সা েনকালেই পাটনা পুনৰ অধিকাৰ কৰিলে । কিন্তু ঠিক তেনেতে ইংৰাজসকলে এক বিশাল বাহিনী লৈ মিৰকাছিমক যুদ্ধত হৰুৱালে । মিৰকাছিম পলাই গৈ অযোধ্যাৰ নবাব চুজউদ্দৌলাৰ কাষ পালেগৈ। চুজাউদ্দোলা আৰু মা েগল সম্ৰাট দ্বিতীয় ছাহ আলমে মিৰকাছিমক সহায় কৰিবলৈ গল যদিও ইংৰাজৰ হাতত হাৰিল । যুদ্ধত হাৰি মিৰকাছিম পলাল । ইংৰাজে পুনৰবাৰ মিৰজাফৰক বঙ্গৰ নবাব পাতিলে ।

**( ঘ ) অন্ধকুল হত্যা ।**

**উত্তৰঃ** মাোগল সম্রাট ফাৰুকচিয়াৰৰ ‘ ফৰমান ’ ৰ জৰিয়তে বঙ্গদেশত যথেষ্ট সা সুবিধা পাইছিল । তেওঁলাোকে বঙ্গদেশত নিজৰ ৰাজনৈতিক ক্ষমতা বৃদ্ধিৰ সুযাোগত ৰৈ আছিল । এনেতে বঙ্গদেশৰ নবাব আলিবৰ্দিখাৰ মৃত্যু হ’ল । আলিবৰ্দিখাৰ কোনাো পুত্ৰ সন্তান নাছিল । সেয়ে নবাবে তেওঁৰ তিনি গৰাকী জীয়েকৰ ভিতৰত সৰু জীয়েকৰ পুত্ৰ চিৰাজউদ্দোলাক বংগৰ সিংহাসনৰ উত্তৰাধিকাৰী মনাোনীত কৰি গৈছিল।এই কথাই নবাবৰ ডাঙৰ জীয়েক ঘাচিতি বেগম আৰু মাজু জীয়েকৰ পুতেক চৌকত জং অসন্তুষ্ট হৈ আছিল । এওঁলোক চিৰাজউদ্দৌলাৰ বিৰুদ্ধে ষড়যন্ত্ৰ লিপ্ত হল । এই গৃহকলৰ সুযাোগ লৈ ইংৰাজ আৰু ফৰাছী দুয়াো পক্ষই বংগদেশত এটা দূৰ্গ সাজিবলৈ আগবাঢ়িলে । চিৰাজউদ্দোলাই তেনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ উভয় পক্ষকে আদেশ দিলে।ফৰাচীসকলে আদেশ মানিলে যদিও ইংৰাজসকলে তেওঁলাোকৰ সামৰিক প্ৰস্তুতি চলায়ে থাকিল ।

ইংৰাজসকলৰ এনে বেপৰাোৱা কাৰ্যত চিৰাজউদ্দৌলাৰ খং উঠিল আৰু ইংৰাজ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে সামৰিক অভিযান আৰম্ভ কৰিলে । নবাবে কাচিম বজাৰ কুঠি দখল কৰি ফৰ্ট উইলিয়াম দুৰ্গত আক্ৰমণ কৰিলে । সেই সময়ত কলিকতাৰ গবৰ্ণৰ আছিল ৰজাৰ ড্ৰেক। নবাবৰ এই আক্ৰমণত ড্ৰেকে কিছুমান বিষয়াৰ সৈতে অইন ঠাইত আশ্ৰয় ল’লে । দূৰ্গত থকা আন কিছুমান লাোকে নবাবৰ ওচৰত আত্ম সমৰ্পন কৰিলে । আত্মসমৰ্পণ কৰা ১৪৬ জন লাোকক নবাবে এটা অতি সৰু কোঠালিত আবদ্ধ কৰি ৰাখিলে । এইদৰে ৰখাত উশাহ – নিশাহ বন্ধ হৈ ১২৩ জন তাোক মৃত্যুৰ মুখত পৰিল । এই ঘটনাক অন্ধকুল হত্যা ( Black Hole tragedy ) নামে জনা যায় ।

**( ঙ ) বক্সাৰ যুদ্ধ ।**

**উত্তৰঃ** ইংৰাজ সকলে বঙ্গদেশত নিজৰ আধিপত্য বৃদ্ধি কৰিব বিচৰা কথাত বঙ্গৰ নবাব মিৰকাছিম অসন্তুষ্ট হৈছিল । ইংৰাজৰ কবলৰ পৰা মুক্ত হ’বলৈ তেওঁ পশ্চিমীয়া আৰ্হিত নিজৰ সৈন্য বাহিনী গঠন কৰিলে , ৰাজধানী মুৰ্চিদাবাদৰ পৰা মুংগেৰলৈ তুলি নিলে তাৰাোপৰি কোম্পানীৰ সামগ্ৰীৰ ব্যৱসায়ৰ ‘ দস্তক ’ ব্যৱস্থাতো হাত দিয়ে । এই কথাত অসন্তুষ্ট হৈ পাটনাত থকা ইংৰাজ কুঠিৰ এজেন্ট জনে পাটনা অধিকাৰ কৰাৰ চেষ্টা চলায় । কিন্তু নৱাবৰ সৈন্য বাহিনীয়ে তেওঁলাোকক খেদি পঠিয়াই ।

ইয়াৰ পিছত ইংৰাজ কোম্পানীয়ে মিৰকাছিমৰ বিৰুদ্ধে যুদ্ধ ঘাোষণা কৰে।ইংৰাজ বাহিনীয়ে নবাবক কেইবাখনাো যুদ্ধত পৰাস্ত কৰিলে । তেওঁলাোকৰ পৰা ৰক্ষা পাবৰ বাবে মিৰকাছিম পলাই গৈ অযাোধ্যাৰ নবাব চুজাউদ্দোলাৰ ওচৰ পালেগৈ । চুজাউদ্দোলা আৰু মাোগল সম্রাট দ্বিতীয় চাহ আলমে মিৰকাছিমৰ সৈতে এক সন্মিলিত সৈন্য বাহিনী

লৈ ইংৰাজৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবাঢ়িল । ১৭৬৪ চনত বিহাৰৰ সীমান্তত থকা বক্সাৰ নামৰ ঠাইত দুয়ােপক্ষৰ মাজত প্ৰচণ্ড যুঁজ সংঘটিত হয় । যুদ্ধত হাৰি মিৰকাছিম পলাই গ'ল আৰু সেই ঠাইত দ্বিতীয়বাৰৰ কাৰণে মিৰজাফৰক অধিষ্ঠিত কৰা হয় । বক্সাৰৰ যুদ্ধত জয়লাভ কৰাৰ পাছত ইংৰাজৰ শক্তি দুগুণ বৃদ্ধি হ'ল ।

**( চ ) চিৰস্থায়ী বন্দবস্ত ।**

**উত্তৰঃ** ইষ্ট-ইণ্ডিয়া কোম্পানী চৰকাৰে ভাৰতীয় অৰ্থনীতি সংশােধন কৰাৰ নামত ৰাজহ ব্যৱস্থা কোম্পানীৰ দখললৈ নিছিল । কোম্পানীৰ ৰাজহ বিভাগ টনকিয়াল কৰিবলৈ কৃষিভূমিৰ ক্ষেত্ৰত লৰ্ড কৰ্ণাৱলিছে চিৰস্থায়ী বন্দবস্ত কৰিছিল । এই ব্যৱস্থা অনুসৰি ভূমি সমূহ ভাগ ভাগ কৰি প্ৰত্যেক খণ্ডত একোজন জমিদাৰক দিছিল । এই বন্দবস্ত আছিল যেতিয়ালৈকে জমিদাৰজনে নিৰ্দিষ্ট হাৰত ৰাজহদি থাকিব তেতিয়ালৈকে জমিদাৰী থাকিব খেতিবাতি হওকে বা নহওকেই নিৰ্দিষ্ট হাৰত ৰাজহ কোম্পানী চৰকাৰক দিব নােৱাৰিলেই জমিদাৰী উচ্ছেদ হ'ব আৰু লগে লগে ই চৰকাৰৰ হাতলৈ যাব । এই চুক্তিত জমিদাৰসকল ভীত হৈছিল আৰু তেওঁলােকে কৃষক সকলক অত্যধিক হেঁচা প্ৰয়ােগ কৰিছিল । ফলস্বৰূপে কৃষক সকল জমিদাৰ সকলৰ অত্যাচাৰৰ সন্মুখীন হ'ব লগা হৈছিল ।

**( ছ ) দস্তক ।**

**উত্তৰঃ** বঙ্গদেশত ইংৰাজে ব্যৱসায়ৰ নামত চলােৱা এক ব্যৱস্থা হ'ল দস্তক । ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে মােগল সম্ৰাটৰ পৰা ' ফৰমান ' লাভ কৰি যথেষ্ট সুবিধা গ্ৰহণ কৰিছিল । এইবাৰ তেওঁলােকে ব্যৱসায়ৰ আৰু সম্প্ৰসাৰণ কৰিবলৈ এটা কৌশল অৱলম্বন কৰিলে । তেওঁলােকে দস্তক নামৰ এখন প্ৰমাণপত্ৰ ব্যৱহাৰ কৰিছিল আৰু এই প্ৰমাণপত্ৰ খনত কোম্পানীৰ বস্তু বুলি লিখি দিলেই সেই বস্তু এঠাইৰ পৰা আনঠাইলৈ বিনা শুল্কে নিব পৰা হৈছিল । এই ব্যৱস্থা কেৱল বহিঃবাণিজ্যৰ ক্ষেত্ৰতহে প্ৰযােজ্য আছিল যদিও কোম্পানীৰ কৰ্মচাৰীসকলে আভ্যন্তৰীণ ক্ষেত্ৰতো এই একেই ব্যৱস্থা প্ৰয়ােগ কৰিছিল । ইয়াৰ ফলত নবাবৰ পাবলগীয়া শুল্ক কমি গৈছিল । সেয়ে নবাব মিৰকাছিমে এই প্ৰথা উঠাই দিব বিচাৰি বিফল হ'ল । শেষত নবাবে দেশীয় ব্যৱসায়ী সকলকো বিনা শুল্কে ব্যৱসায় কৰাৰ অনুমতি দিলে । ইয়াতে অসন্তুষ্ট হৈ ইংৰাজে নৱাবৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হ'ল ।

**( জ ) স্বত্ববিলােপনীতি ।**

**উত্তৰঃ** পলাশী যুদ্ধৰ পিছৰ পৰা বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে যি সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰিছিল লৰ্ড ডেলহাউচৰ দিনত , পূৰ্ণ পৰ্যায় পাইছিল বুলি ক'ব পাৰি । ভাৰতৰ বৃটিছ সাম্ৰাজ্যবাদৰ সম্প্ৰসাৰণৰ বাবে ডেলহাউছীয়ে যি কেইটা নীতি গ্ৰহণ কৰিছিল তাৰ

ভিতৰত আটাইতকৈ উল্লেখযােগ্য আছিল স্বত্ববিলােপ নীতি । এই নীতি প্ৰয়ােগ কৰি ডেলহাউছীয়ে কেইবাখনাে দেশীয় ৰাজ্য বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল । স্বত্ববিলােপ নীতিৰ দ্বাৰা নিয়ম কৰা হ’ল যে যদি কোনােবা দেশীয় ৰজাই নিজৰ পুত্ৰ নথকাৰ বাবে আন কাৰােবাক তােলনীয় পুত্ৰ কৰি ৰাখে তেতিয়া সেই তােলনীয়া পুত্ৰই ৰজাৰ মৃত্যৰ পিছত ৰাজ্যৰ উত্তৰাধিকাৰী হ’ব নােৱাৰিব । সেই দেশীয় ৰাজ্যখন ৰজাজনৰ পিছত বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি লােৱা হ’ব । এই নীতি অনুসৰি ডেলহাউছীয়ে ভালেকেইখন ৰাজ্য ইংৰাজৰ অধীন কৰি লৈছিল ।

**প্ৰশ্ন ৪: শুদ্ধ উত্তৰ বাছি উলিওৱা –**

( ক ) কৰ্ণাটকৰ যুদ্ধ সংঘটিত হৈছিল— ইংৰাজ আৰু পৰ্তুগীজ /পৰ্তুগীজ আৰু ফ্ৰান্স / ইংৰাজ আৰু ফ্ৰান্সৰ মাজত ।

**উত্তৰঃ** ইংৰাজ আৰু ফ্ৰান্সৰ মাজত ।

( খ ) পলাশী যুদ্ধৰ সময়ত বঙ্গৰ নৱাব আছিল— মিজাফৰ / মিৰকাছিম / চিৰাজউদ্দোলা ।

**উত্তৰঃ** চিৰাজউদ্দোলা ।

( গ ) ৰেগুলেটিং এক্ট প্ৰণয়ন কৰিছিল— ৰবাৰ্ট ক্লাইব / ডুপ্লে / বৃটিছ সংসদে ।

**উত্তৰঃ** বৃটিছ সংসদে ।

( ঘ ) দ্বিতীয় বাজীৰাওৰ তােলনীয়া পুতেকৰ বছৰেকীয়া পেঞ্চন বন্ধ কৰিছিল— ৰবাৰ্ট ক্লাব / ওৱেলছলি / ডেলহাউছিয়ে ।

**উত্তৰঃ** ডেলহাউছিয়ে ।

**প্ৰশ্ন ৫: ভাৰতত ইংৰাজ আৰু ফৰাছী সকলৰ মাজত লগা যুদ্ধত ফৰাচীসকলে কিয় পৰাজয় বৰণ কৰিছিল তাৰ কাৰণ সমূহ লিখা ।**

**উত্তৰঃ** ভাৰতত ইংৰাজ আৰু ফৰাছী সকলৰ মাজত যিবােৰ যুদ্ধ হৈছিল সেই আটাই কেইখনতে ফৰাচীসকল হাৰিছিল । ইয়াৰ কাৰণ সমূহ তলত উল্লেখ কৰা হল—

১। ভাৰতত বেহা – বেপাৰৰ বাবে অহা ফৰাছী কোম্পানীটো ফৰাচী চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু ইয়াৰ কৰ্মচাৰী বিলাকো চৰকাৰৰ দ্বাৰা নিয়োজিত আছিল । চৰকাৰৰ দ্বাৰা পৰিচালিত বাবে তেওঁলোকে ইয়াত স্বাধীনভাৱে কাম কৰিব পৰা নাছিল । বিভিন্ন ক্ষেত্ৰত সিদ্ধান্ত লওঁতে তেওঁলোকৰ বিলম্ব হৈছিল । আনহাতে ফৰাছী চৰকাৰো সেই সময়ত বৰ দুৰ্বল আছিল । তেওঁলোকে ভাৰতত থকা তেওঁলোকৰ কোম্পানীটোৰ কথা সঠিক ভাবে ভাবিব পৰা নাছিল । আনহাতে ইষ্ট-ইণ্ডিয়া কোম্পানীটো ইয়াৰ বিপৰীত আছিল ।

২। ইংলেণ্ডৰ নৌ-বাহিনী অতি শক্তিশালী হোৱাৰ বিপৰীতে ফৰাচী সকলৰ নৌ-বাহিনী আছিল দুৰ্বল।

৩। ফৰাছীসকলৰ মাজত উপযুক্ত নেতৃত্বৰ অভাৱ আছিল । ডুপ্লে এজন দক্ষলোক হ'লেও তেওঁৰ আন কৰ্মচাৰীৰ লগত বুজা-বুজিৰ অভাৱত বহু ক্ষেত্ৰত বিফল হ'ব লগা হৈছিল । কিন্তু ইংৰাজে ৰবাৰ্ট ক্লাইবৰ নিচিনা উপযুক্ত এজন নেতা পাইছিল ।

৪। ফৰাচী সকলৰ একমাত্ৰ উল্লেখযোগ্য বাণিজ্যিক ঘাটি আছিল পণ্ডিচেৰী । অৰ্থাৎ তেওঁলোকে ভাৰতত খোপনি মজবুত কৰিব পৰা নাছিল । কিন্তু ইংৰাজসকলে কলিকতা , মাদ্ৰাজ আৰু বোম্বাইত নিজৰ স্থিতি দৃঢ়কৰি সাম্ৰাজ্য স্থাপনত মনোনিবেশ কৰিছিল ।

**প্ৰশ্ন ৬: ৰেগুলেটিং এক্টৰ বিধি – বিধানসমূহ কি আছিল লিখা ।**

**উত্তৰঃ** ৰেগুলেটিং এক্টৰ মূল বিধি – বিধান সমূহ আছিল এনে ধৰণৰ

১। এই আইন মতে বংগৰ গভৰ্ণৰ পদটো গৱৰ্ণৰ জেনেৰেললৈ উন্নীত কৰা হৈছিল । বোম্বাই আৰু মাদ্ৰাজৰ গৱৰ্ণৰ দুজনক বঙ্গৰ গৱৰ্ণৰ জেনেৰেলৰ অধীনলৈ অনা হৈছিল । গৱৰ্ণৰ জেনেৰেলক সহায় কৰিবৰ বাবে এখন চাৰিজনীয়া কমিটি গঠন কৰা হ'ল ।

২। এই আইন অনুসৰি ভাৰতত থকা কোম্পানী চৰকাৰে বৃটিছ চৰকাৰক সময়ে সময়ে শাসন সম্পৰ্কীয় কথাবোৰ জনাই থাকিবলগীয়া হ'ল ।

৩। ৰেগুলেটিং এক্টৰ আন এটা গুৰুত্বপূৰ্ণ চৰ্ত অনুসৰি , কোম্পানীৰ চাকৰিয়াল সকলৰ ব্যক্তিগত ব্যৱসায় নিষিদ্ধ কৰা হ'ল ।

৪। ৰেগুলেটিং এক্টৰ দ্বাৰা বিচাৰ ব্যৱস্থাতাে কিছু পৰিবৰ্তন অনা হৈছিল।ন্যায় বিচাৰৰ কাৰণে ইংলেণ্ডৰ ৰজাই নিযুক্ত এজন মুখ্য ন্যায়াধীশ আৰু দুজন সহকাৰী ন্যায়ধীশৰে কলিকতাত এখন উচ্চতম ন্যায়ালয় স্থাপন কৰা হয় ।

**প্ৰশ্ন ৭: পিটৰ ভাৰত শাসন আইনৰ ওপৰত চমুকৈ লিখা ।**

**উত্তৰঃ** বৃটিছ সংসদে ইষ্ট-ইণ্ডিয়া কোম্পানীৰ দ্বাৰা ভাৰত শাসন কৰাৰ বাবে প্ৰণয়ন কৰা ৰেগুলেটিং এখন আসোঁৱাহপূৰ্ণ হাােৱা বাবে ১৭৮৪ চনত আন এখন , আইন প্ৰণয়ণ কৰে । ইংলণ্ডৰ প্ৰভাৱশালী প্ৰধানমন্ত্ৰী কণিষ্ঠ উইলিয়াম পিটৰ দিনত এই আইনখন প্ৰণয়ন হাােৱা হেতুকে ইয়াক পিটৰ ভাৰত শাসন আইন ' বুলি কোৱা হয় । এই আইনখনে বৃটিছ চৰকাৰক কোম্পানীৰ কাৰ্যকলাপ আৰু প্ৰশাসনৰ ওপৰত সম্পূৰ্ণ দায়িত্ব দিয়ে । তলত এই আইনখনৰ নিয়ম সমূহ উল্লেখ কৰা হ'ল ।

১। ভাৰতত ছয়জনীয়া সদস্যৰে এখন নিয়ন্ত্ৰণ পৰিষদ গঠন কৰা হ'ল । এই সদস্য কেইগৰাকী বৃটিছ পাৰ্সিয়ামেন্টে মনাােনীত কৰিব । ভাৰতত কোম্পানী অধিকৃত ৰাজ্যসমূহৰ পৰিচালনাৰ ক্ষমতা এই পৰিষদৰ ওপৰত দিয়া হ'ল ।

২। বঙ্গদেশত গৱৰ্ণৰ জেনেৰেলক সহায় কৰাৰ বাবে গঠন কৰি দিয়া সদস্য সংখ্যা চাৰিজনৰ পৰা তিনিজন কৰা হয় ।

৩। যুদ্ধ , কুটনীতি আৰু ৰাজহ বিষয়ত মাদ্ৰাজ আৰু বাােম্বেৰ গৱৰ্ণৰ দুজনক সম্পূৰ্ণৰূপে বংগৰ গৱৰ্ণৰ জেনেৰেল পৰিষদৰ অধীনলৈ অনা হয়।

**প্ৰশ্ন ৮: চিৰস্থায়ী বন্দবস্ত কি আৰু কোনে প্ৰৱৰ্ত্তন কৰিছিল । চিৰস্থায়ী বন্দবস্তৰ ফলাফল সম্পৰ্কে লিখা ।**

**উত্তৰঃ** কোম্পানী চৰকাৰে ভাৰতীয় অৰ্থনীতি সংশাােধন কৰাৰ নামত ভাৰতীয় লাােকৰ পৰা ৰাজহ আদায়ৰ সুবিধাৰ অৰ্থে ভূমি সমূহ ভাগ ভাগ কৰি প্ৰতি খণ্ডতে একোজন জমিদাৰৰ অধীনত দিয়াৰ ব্যৱস্থা কৰিছিল । এই বন্দবস্ত মতে জমিদাৰ সকলে কৃষকৰ পৰা ৰাজহ বা খাজনা আদায় কৰি দিবলৈ বাধ্য আছিল । ইয়াকে চিৰস্থায়ী বন্দবস্ত বাােলা হৈছিল ।

চিৰস্থায়ী বন্দবস্ত প্ৰৱৰ্তন কৰিছিল ইংৰাজ গৱৰ্ণৰ জেনেৰেল কৰ্ণৱালিছে।চিৰস্থায়ী বন্দবস্তৰ ফলত ভাৰতত জমিদাৰ শ্ৰেণীৰ সৃষ্টি হ'ল । জমিদাৰ সকলে বংশানুক্ৰমিক ভাৱে জমিদাৰী পাােৱাৰ ব্যৱস্থা যদিহে তেওঁলাােকে নিয়মিত ভাবে খাজনা আদায় দি

থাকিব পাৰে । আনহাতে এই ব্যৱস্থাৰ ফলত কৃষক সকলে যুগ যুগ ধৰি ভােগ কৰি অহা মাটিৰ ওপৰত স্বত্ব হেৰুৱালে ।

## প্ৰশ্ন ৯: লৰ্ড ওৱেৰ্চেলিৰ দিনত ভাৰতত বৃটিছ সাম্ৰাজ্য বিস্তাৰ সম্পৰ্কে চমুকৈ বৰ্ণনা কৰা ।

**উত্তৰঃ** চাৰ জনছেৰৰ পাছত ওৱেলচলি ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হৈ আহিছিল । তেওঁ আহিয়েই পূৰ্বৰ নীতি নিয়ম বাদ দি সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰিছিল । দেশীয় ৰাজ্যসমূহ কৌশলৰে অধিগ্ৰহণ কৰি নিজৰ আয়ত্বলৈ অনাৰ বাবে তেওঁ এটা নীতি গ্ৰহণ কৰিছিল । সেইটো হৈছে কৰদ মৈত্ৰী নীতি বা ' বশ্যতামূলক মিত্ৰতা নীতি ' ।

এই নীতিৰ মূল কথা হ'ল— যিবােৰ দেশীয় ৰজাই ইংৰাজৰ বশ্যতা স্বীকাৰ কৰিব সেইসকলক ইংৰাজসকলৰ সৈন্য-বাহিনীয়ে সুৰক্ষা দিব । অৱশ্যে সৈন্য-বাহিনীৰ খৰছ দেশীয় ৰজাই বহন কৰিব ।

এই নীতিৰ অধীনত দেশীয় ৰজাসকলৰ ওপৰত আৰু এটা চৰ্ত বান্ধি দিলে । সেইটো হ'ল এই চুক্তিৰ অধীনত যিবোৰ দেশীয় ৰজা সােমাব তেওঁলাােকে অন্য কোনাে শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ হ'লে নাইবা আন কিবা আলােচনা কৰাৰ আগেয়ে ইংৰাজ কোম্পানীৰ অনুমতি ল'ব লাগিব।

এই চুক্তিত প্ৰথম স্বাক্ষৰ কৰে হায়দৰাবাদৰ নিজামে । ইয়াৰ পিছতে আন আন সৰু ৰাজ্য কিছুমানেও চুক্তিবদ্ধ হয় । ফলস্বৰূপে ওৱেলচলিয়ে ভাৰতত সাম্ৰাজ্য বিস্তাৰ কৰাৰ সুযােগ লাভ কৰে ।

## প্ৰশ্ন ১০: লৰ্ড ডেলহাউছীয়ে কি কি নীতি অবলম্বন কৰি ভাৰতত বৃটিছ সাম্ৰাজ্য সম্প্ৰসাৰিত কৰিছিল ? তেওঁৰ সাম্ৰাজ্য বিস্তাৰ সম্পৰ্কে বৰ্ণনা কৰা ।

**উত্তৰঃ** পলাশী যুদ্ধৰ পিছৰ পৰা বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰিছিল । বিভিন্ন জন গৱৰ্ণৰ জেনেৰেলে দেশীয় ৰাজ্যসমূহ অধিগ্ৰহণ কৰাৰ খাতিৰত ভাৰতত বিভিন্ন নীতি প্ৰয়ােগ কৰিছিল । ভাৰতৰ গৱৰ্ণৰ জেনেৰেল সকলৰ ভিতৰত লৰ্ড ডেলহাউছীয়েই আছিল আটাইতকৈ বেছি সাম্ৰাজ্যবাদী মনােভাৱাপন্ন লােক আছিল । ভাৰতৰ ৰাজ্যসমূহ অধিগ্ৰহণ কৰিবলৈ তেওঁ তিনিটা প্ৰধান নীতি গ্ৰহণ কৰিছিল। সেইকেইটা হ'ল –

১। স্বত্ব বিলােপ নীতি ।

২। যুদ্ধ জয় । আৰু

৩। কুশাসনৰ দোহায় ।

ইয়াৰোপৰি ৰাজকীয় মৰ্যাদা কাঢ়ি লৈ , পেঞ্চন আদি বন্ধ কৰিও ৰাজ্য অধিগ্ৰহণ কৰিছিল ।

স্বত্ব বিলােপ নীতিঃ স্বত্ব বিলােপ নীতিৰ দ্বাৰা কোনােবা দেশীয় ৰজাই পুত্ৰহীন হােৱা বাবে আন কাৰােবাক তােলনীয় পুত্ৰ কৰি লয় , সেই তােলনীয় পুত্ৰই ৰজাৰ মৃত্যুৰ পাছত ৰাজ্যৰ উত্তৰাধিকাৰী হ’ব নােৱাৰিব । সেই দেশীয় ৰাজ্যখন ৰজাৰ মৃত্যুৰ পিছত বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হ’ব । এই নীতিৰ জৰিয়তে ডেল হাউছীয়ে ভালে কেইখন ৰাজ্য বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল ।

যুদ্ধ কৰি ৰাজ্য অধিগ্ৰহণঃ ডেলহাউছীয়ে কিছুমান দুৰ্বল ৰাজ্য যুদ্ধ কৰি জয় কৰি বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল । এই ক্ষেত্ৰত উল্লেখযােগ্য হ’ল — পঞ্জাৱ , নামনি ব্ৰহ্মদেশ আৰু ছিকিমৰ একাংশ।

কুশাসনৰ দোহায়ঃ কুশাসনৰ দোহাই দি অৰ্থাৎ দেশীয় ৰজাই ভাল শাসন চলােৱা নাই বুলিও ডেলহাউছীয়ে ৰাজ্য গ্ৰাস কৰিছিল । ডেলহাউছীয়ে অযােধ্যাৰ নবাব ওৱাজিদ আলিৰ ওপৰত এই অভিযোগ তুলি অযােধ্যা বৃটিছ সাম্ৰাজ্যভুক্ত কৰিছিল ।